জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ৭৯০/২০২০

# আমৰি্ কাৰ্বি আৰু কাৰ্বি আংলঙৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধি বৰ্গই সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক

**দিছপুৰ, ২৫ নৱেম্বৰ ঃ** আমৰি্ কাৰ্বি আৰু কাৰ্বি আংলঙৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধিবৰ্গই আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক তেখেতৰ চৰকাৰী বাসভৱনত সাক্ষাৎ কৰি তেওঁলোকৰ বিভিন্ন সমস্যাৰাজিৰ বিষয়ে আলোচনা কৰে।

মুখ্যমন্ত্ৰীৰ সৈতে হোৱা আলোচনাকালত আমৰি্ কাৰ্বি নেশ্বনেল কাউন্সিল, আমৰি্ কাৰ্বি ছাত্ৰ সন্থাকে ধৰি জনগোষ্ঠীটোৰ কেইবাটাও সংগঠনৰ প্ৰতিনিধি বৰ্গই তেওঁলোকৰ বিভিন্ন দাবী সম্বলিত এখন স্মাৰক পত্ৰও মুখ্যমন্ত্ৰীক অৰ্পণ কৰে। প্ৰায় ৪ লাখ জনবসতিৰে পূৰ্ণ এই জনগোষ্ঠীটোৰ প্ৰতিনিধিবৰ্গই তেওঁলোকৰ বাবে এখন স্বায়ত্ত শাসিত পৰিষদ গঠনৰ বাবেও দাবী জনায়। আমৰি্ কাৰ্বি প্ৰতিটো পৰিয়ালৰ ভূমিপট্টা প্ৰদানৰ পদক্ষেপ ল'বলৈও প্ৰতিনিধি বৰ্গই মুখ্যমন্ত্ৰীক আহ্বান জনায়। প্ৰতিনিধি দলটোৱে আমৰি্ কাৰ্বিৰ ৯ গৰাকী ৰজাৰ বাবে পুনৰসংস্থাপনমূলক পেকেজ ঘোষণা কৰাৰ বাবেও অনুৰোধ জনায়।

আলোচনাকালত মুখ্যমন্ত্ৰী সোণোৱালে আমৰি্ কাৰ্বিৰ প্ৰতিনিধি দলটোৱে উত্থাপন কৰা বিষয়সমূহ ৰাজ্য চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে বিৱেচনা কৰি পদক্ষেপ ল'ব বুলি আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুক জিলাখনত থকা কাৰ্বি আমৰি্ বসতিপ্ৰধান এলেকাৰ এক জৰীপ চলোৱাৰ বাবে নিৰ্দেশ দিয়ে যাতে ভূমি পট্টা প্ৰদানৰ দিশত যথোচিত পদক্ষেপ ল'ব পৰা যায়। মুখ্যমন্ত্ৰীয়ে লগতে আমৰি্ কাৰ্বিৰ ৯ গৰাকী ৰজাৰ বাবে এক সংহত পুনৰসংস্থাপনমূলক পেকেজ প্ৰস্তুত কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব বুলি কয়।

আজিৰ এই বৈঠকত ডুমুৰুৰ ৰজা হলিসিং ৰংহাং, আমৰি্ কাৰ্বি নেশ্বনেল কাউন্সিলৰ উপদেষ্টা তথা ৮ গৰাকী প্ৰতিনিধি, দিছপুৰ বিধানসভা সমষ্টিৰ বিধায়ক অতুল বৰা উপস্থিত থাকে।

আনহাতে, কাৰ্বি আংলঙৰ কেইবাটাও সংগঠনৰ প্ৰতিনিধি বৰ্গইও আজি মুখ্যমন্ত্ৰী সোণোৱালক তেখেতৰ চৰকাৰী বাসভৱনত সাক্ষাৎ কৰি আলোচনাত মিলিত হয়।

প্ৰতিনিধি দলটোৱে মুখ্যমন্ত্ৰী সোণোৱালক তেওঁলোকৰ বিভিন্ন দাবী সম্বলিত এক স্মাৰক পত্ৰ প্ৰদান কৰি এই সমস্যাসমূহ নিৰাময়ৰ দিশত উপযুক্ত পদক্ষেপ লোৱাৰ বাবে আহ্বান জনায়। প্ৰতিনিধি দলটোৱে দলদলি সংৰক্ষিত বনাঞ্চল এলেকাত হোৱা অবৈধ বেদখলৰ বিষয়টোও মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি এই ক্ষেত্ৰত উপযুক্ত পদক্ষেপ লোৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰী সোণোৱালে বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান (সীমান্ত) মুকেশ আগৰৱালা আৰু প্ৰধান মুখ্য বন সংৰক্ষক এ এম সিঙক এই বেদখল মুক্ত কৰাৰ দিশত উপযুক্ত পদক্ষেপ লোৱাৰ বাবে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে সংগঠন কেইটাই উত্থাপন কৰা বিষয়সমূহ ৰাজ্য চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে বিৱেচনা কৰি যথোচিত পদক্ষেপ ল'ব বুলিও

আশ্বাস প্ৰদান কৰে।

আজিৰ এই বৈঠকত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, সাংসদ হৰেন সিং বে, প্ৰাক্তন সাংসদ জয়ন্ত ৰংপী, বিভিন্ন সামাজিক-সাংস্কৃতিক সংগঠনৰ প্ৰতিনিধি বৰ্গ, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ কেইবাগৰাকী কাৰ্যবাহী সদস্য উপস্থিত থাকে।

ইয়াৰ উপৰি এই বৈঠকত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰী আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, গৃহ বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মা, পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, বিশেষ আৰক্ষী সঞ্চালক প্ৰধান মুকেশ আগৰৱালা, প্ৰধান মুখ্য বন সংৰক্ষক এ এম সিঙকে ধৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**২৫/১১/২০২০**